Krishna Kanta Handiqui State Open University

MA 1st Sem. Examination, 2016

Subject : Assamese

Paper - 03

অসমীয়া নাটক

Time : 3 Hrs. *Full Marks : 80*

১। তলৰ প্ৰশ্নসমূহৰ যিকোনো পাঁচটাৰ উত্তৰ লিখক। ২×৫ = ১০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) 'ৰুক্মিনী হৰণ' নাটৰ কাহিনীভাগ মূল ভাগৱত পুৰাণৰ কিমান স্কন্ধৰ কিমান অধ্যায়ত বৰ্ণিত হৈছে?

(খ) 'ৰুক্মিনী হৰণ' নাটৰ মদনমঞ্জৰী আৰু লীলাৱতী - চৰিত্ৰ দুটি মূলত পোৱা যায়নে? এই দুটি চৰিত্ৰৰ কোনখন সংস্কৃত নাটকৰ কোন দুটি চৰিত্ৰৰ লগত মিল দেখা যায়?

(গ) মাধৱদেৱে ৰচনা কৰা নাটকেইখনৰ নাম লিখক।

(ঘ) 'অৰ্জুন-ভঞ্জন' নাটকখনিৰ কাহিনীভাগ কেইটা আৰু কি কি স্তৰৰ মাজেদি আগবাঢ়িছে?

(ঙ) কোনে কেতিয়া আৰু ক'ত এবছার্ড শব্দটো পোনপ্ৰথমবাৰৰ বাবে ব্যৱহাৰ কৰিছিলি?

(চ) 'মহাৰাজা' নাটকৰ বিক্ৰম চৰিত্ৰটো কেনেকুৱা?

২। তলৰ প্ৰশ্নসমূহৰ যিকোনো তিনিটাৰ উত্তৰ লিখক। ৪×৩ = ১২
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) আধুনিক অসমীয়া নাটকত প্ৰয়োগ হোৱা চাৰিটা নতুন দিশ উল্লেখ কৰক।

(খ) 'ৰাম-নৱমী' নাটকখনত সংস্কৃত নাটকৰ প্ৰভাৱ সম্পৰ্কে চমুকৈ লিখক।

(গ) অৰুণ শর্মাৰ নাটকৰ প্ৰধান চাৰিটা বৈশিষ্ট্য উল্লেখ কৰক।

(ঘ) 'মহাৰাজা' নাটকখনৰ অমৃত নাৰায়ণ চৰিত্ৰটোৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

৩। তলৰ প্ৰশ্নসমূহৰ যিকোনো তিনিটাৰ উত্তৰ লিখক। ৬×৩ = ১৮
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) অসমীয়া ঐতিহাসিক নাটক সম্পৰ্কে এটি টোকা লিখক।

(খ) চমুটোকা লিখক — 'ৰাম-নৱমী' নাটকৰ ৰামচন্দ্ৰ

(গ) 'ৰূপালীম' নাটকখনত নাৰীৰ মনোজগতখন কেনেদৰে দাঙি ধৰিছে আলোচনা কৰক।

(ঘ) 'ৰূপালীম' নাটকৰ চৰিত্ৰসৃষ্টি সম্পৰ্কে এটি আলচ আগবঢ়াওক।

৪। তলৰ প্ৰশ্নসমূহৰ যিকোনো চাৰিটাৰ উত্তৰ লিখক। ১০×৪ = ৪০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) অংকীয়া নাট কাক বোলে? শংকৰী যুগ আৰু শংকৰোত্তৰ যুগৰ নাটৰ এটি তুলনামূলক আলোচনা লিখক।

(খ) 'ৰুক্মিনী হৰণ' নাটখনিত কৃষ্ণৰ মহিমা তথা ভক্তিৰ মহত্ত্ব কেনেদৰে প্ৰকাশিত হৈছে সেই বিষয়ে এটি আলোচনা যুগুত কৰক।

(গ) "'অৰ্জুন ভঞ্জন' নাটৰ ঘাই ৰস ভক্তি আৰু হাস্য আৰু লগতে আছে কৃষ্ণৰ গোপ ৰূপত উদ্ভৱ হোৱা বিস্ময় ৰস।"— এই কথাষাৰৰ আধাৰত এটি প্ৰবন্ধ লিখক।

(ঘ) 'আহাৰ' নাটকখনত দেখাত স্থিতিশীল অৱস্থা এটাক কেনেকৈ গতিশীল কৰা হৈছে আলোচনা কৰক।

(ঙ) লোককলাৰ আধাৰত লিখা নাটক হিচাপে 'মহাৰাজা' নাটকখন বিচাৰ কৰক।

——×——